জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৩/২০২১

# মূলসুঁতিলৈ ঘূৰি অহা প্ৰাক্তন এনডিএফবি সদস্যৰ পুনৰ সংস্থাপন পেকেজৰ অধীনত কোকৰাঝাৰ, চিৰাং আৰু গোৱালপাৰা জিলাৰ ১৬৬৯ গৰাকী সদস্যলৈ আৰ্থিক অনুদান আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে

## মূলসুঁতিলৈ ঘূৰি অহা প্ৰাক্তন উগ্ৰপন্থী সদস্যসকলে বন্দুকৰ সলনি হাতত কৃষি সঁজুলি তুলি লৈ এক অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৬ ডিচেম্বৰ ঃ** অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ ঘূৰি অহা প্ৰাক্তন এনডিএফবি সদস্যসকলৰ বাবে হাতত লোৱা পুনৰ সংস্থাপন পেকেজৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পত আয়োজিত এক অনুষ্ঠানত ১৬৬৯ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যৰ মাজত ৪ লাখ টকাকৈ আৰ্থিক অনুদান বিতৰণ কৰে। আজিৰ অনুষ্ঠানত ১৮ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যক ৪ লাখ টকাৰ ম্যাদী জমাৰ প্ৰমাণপত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত কোকৰাঝাৰ জিলাৰ ১০৬২ গৰাকী, চিৰাঙৰ ৫৭৩ গৰাকী আৰু গোৱালপাৰৰ ৩৪ গৰাকী সদস্যলৈ এই ম্যাদী জমাৰ প্ৰমাণপত্ৰ আগবঢ়োৱা হৈছে। ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত ঐতিহাসিক বড়ো শান্তি চুক্তিৰ এক অন্যতম উপাদান হিচাপে হাতত লোৱা এই কাৰ্যসূচীৰ অধীনত ইতিমধ্যে গৰিষ্ঠসংখ্যক প্ৰাক্তন এনডিএফবি সদস্যলৈ বিত্তীয় অনুদান আগবঢ়োৱা হৈছে আৰু বাকী ৰোৱা সদস্যসকলকো পৰৱৰ্তী পৰ্যায়ত ইয়াৰ অধীনত সামৰি লোৱা হ'ব।

এই উপলক্ষে আয়োজিত সভাত উপস্থিত থকা প্ৰাক্তন এনডিএফবি সদস্যসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ এই কাৰ্যসূচীৰ জৰিয়তে বড়ো শান্তি চুক্তিৰ ৰূপায়ণৰ দিশত থকা চৰকাৰৰ দায়বদ্ধতাক পুনৰবাৰ প্ৰতীয়মান কৰাৰ লগতে এক আত্মনিৰ্ভৰ অসম গঢ়াৰ যাত্ৰাত যুৱ সমাজৰ আৰ্থিক সবলীকৰণৰ দিশতো এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰা হ'ল। ম্যাদী জমা হিচাপে লাভ কৰা আৰ্থিক অনুদানৰ এই ধনৰাশিৰ সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি উপাৰ্জন সৃষ্টিকাৰী গঠনমূলক কামত এই অনুদান ব্যৱহাৰ কৰিবলৈ তেওঁ প্ৰাক্তন এনডিএফবি সদস্যসকলৰ প্ৰতি আহ্বান জনায়।

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ লগতে বড়ো আন্দোলনত প্ৰাণ হেৰুওৱা শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইসকল মহান ব্যক্তিৰ ত্যাগৰ বিনিময়ত বড়োভূমিত আজি শান্তি আৰু উন্নয়নৰ পথ প্ৰশস্ত হৈছে। তেওঁ লগতে কয় যে উদয়াচল আন্দোলনৰ সময়ৰ পৰা বধ্যভূমিত পৰিণত হোৱা বড়োভূমিলৈ আজি স্থায়ী শান্তি ঘূৰি আহিছে, বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সাঁকো নিৰ্মাণ হৈছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

কোনো অপশক্তিৰ প্ৰৰোচনাত ভোল নগৈ শান্তিৰ এই কপৌহালি আমি স্থায়ীভাৱে ধৰি ৰাখিব লাগিব বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে শান্তি চুক্তিৰ সমান্তৰালভাৱে বড়োভূমিত আজি এক নতুন অৰ্থনৈতিক বিপ্লৱৰ আৰম্ভ হৈছে। বড়ো জাতিয়ে আজি ভাষা-সাহিত্য-সংস্কৃতি-শিক্ষা সকলো দিশতে নতুন দিগন্তৰ দিশলৈ ধাৱমান হৈছে। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বিটিআৰৰ পৰিষদীয় চৰকাৰৰ সহযোগিতাত ঐতিহাসিক বড়োচুক্তিৰ ৰূপায়ণ আজি দূৰন্ত গতিত আগবাঢ়িছে। চুক্তিৰ বাকী থকা দফাসমূহো আখৰে আখৰে পালনৰ বাবে ৰাজ্য চৰকাৰ দৃঢ়প্ৰতিজ্ঞ বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে জীৱনযাত্ৰাৰ প্ৰায়বোৰ ক্ষেত্ৰতে আমাৰ ৰাজ্যখন আজিও পৰনিৰ্ভৰশীল হৈ আছে। ১৫- ২০ হাজাৰ কোটি টকা নিয়মীয়াকৈ ৰাজ্যৰ বাহিৰলৈ ওলাই গৈছে। উৎপাদনমূলক কাম-কাজত আত্মনিয়োগ কৰাৰ লগতে অৰ্থনৈতিক বিপ্লৱৰ জৰিয়তে এই ধনৰাশি আমি ৰাজ্যৰ ভিতৰতে ধৰি ৰাখিব লাগিব বুলি মন্তব্য কৰি এখন আত্মনিৰ্ভৰ বড়োভূমি আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ বাবে হাতে কামে আত্মনিয়োগ কৰিবলৈ তেওঁ যুৱচামৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চাকৰি প্ৰাৰ্থী হোৱাৰ সলনি আমি নিজৰ ভৰিত থিয় দি আন দহজনকো নিয়োজনৰ বাট দেখুৱাব লাগিব। হিংসাৰ পথ এৰি মূলসুঁতিলৈ ঘূৰি অহা ৪ সহস্ৰাধিক প্ৰাক্তন উগ্ৰপন্থী সদস্যই বন্দুকৰ সলনি হাতত কৃষি সঁজুলি তুলি এই অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰাক্তন উগ্ৰপন্থীসকলৰ পুনৰ সংস্থাপন পেকেজৰ অধীনত প্ৰতিগৰাকী যোগ্য বিবেচিত প্ৰাক্তন এনডিএফবি সদস্যকে পৰ্যায়ক্ৰমে সামৰি লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। সেইদৰে কিছুসংখ্যক অতি গুৰুতৰ অপৰাধৰ বাহিৰে প্ৰাক্তন উগ্ৰপন্থীসকলৰ বিৰুদ্ধে থকা সকলো গোচৰ পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

ঐতিহাসিক বড়ো শান্তিৰ চুক্তিৰ জৰিয়তে এই অঞ্চলটোৰ দশক দশকজোৰা অস্থিৰতাৰ অৱসান ঘটোৱাৰ দিশত গ্ৰহণ কৰা প্ৰয়াসৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু বড়ো নেতৃবৰ্গৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেন নাথে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী, বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান এল আৰ বিষ্ণইয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিধায়ক লৰেঞ্চ ইছলাৰী, জয়ন্ত বসুমতাৰী আৰু জিৰণ বসুমতাৰী, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, বিটিচিৰ প্ৰধান সচিব শান্তনু পি গোটমাৰে, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়ো প্ৰমুখ্যে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**০৬-১২-২০২১**